**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পুৱা দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটলৈ গৈছে।

২। আজি বিশ্ব ধ্যান দিৱস। জনসাধাৰণৰ শান্তি আৰু কল্যানেৰে মানসিক উৎকৰ্ষ সাধনৰ লগতে সুস্বাস্থ্য বজাই ৰখাৰ প্ৰতি উৎসাহিত কৰাৰ লক্ষ্যৰে সমগ্ৰ বিশ্বতে প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছে।

৩। ৰাজস্থানৰ জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথত গেছ পৰিবাহী টেংকাৰত হোৱা অগ্নিকাণ্ডত নিহত লোকৰ সংখ্যা ১৪লৈ বৃদ্ধি পাইছে।

*আৰু*

৪। ভাৰত আৰু ৱেষ্টইণ্ডিজৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ বদোদৰাৰ ক'টাম্বি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পুৱা দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটলৈ গৈছে। কুৱেইটৰ আমিৰ শ্বেখ মেছল অল আহমেদ অল জাবেৰ অল চাবাহৰ আমন্ত্ৰণ মৰ্মে তেওঁ দেশখনলৈ গৈছে। এয়া হৈছে ৪৩ বছৰৰ পাছত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো কুৱেইট ভ্ৰমণ। ভ্ৰমণৰ পূৰ্বে এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে কেইবাদশক ধৰি কুৱেইটৰ সৈতে থকা ঐতিহাসিক সম্পৰ্কক গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ কয় যে দুয়োখন দেশ কেৱল বাণিজ্য আৰু শক্তিৰ ক্ষেত্ৰত শক্তিশালী অংশীদাৰীয়েই নহয় বৰং উভয় দেশে পশ্চিম এছিয়াৰ শান্তি, নিৰাপত্তা, স্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কুৱেইটৰ যুৱৰাজক সাক্ষাৎ কৰাক লৈ প্ৰধানমন্ত্ৰীয়ে আগ্ৰহ প্ৰকাশ কৰি কয় যে এই সাক্ষাতে দুয়োখন দেশৰ জনসাধাৰণৰ লগতে এই সমগ্ৰ খণ্ডৰ কল্যানৰ বাবে ভৱিষ্যদৰ্শী সহযোগিতাৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ সুযোগ দিব। তেওঁ লগতে দুয়োখন দেশৰ মাজৰ বন্ধুত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মতবিনিময় কৰিবলৈও আগ্ৰহেৰে বৈ আছে বুলি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে গাল্ফ খণ্ডৰ আগশাৰীৰ প্ৰতিযোগিতা আৰবিয়ান গাল্ফ কাপৰ উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ তওঁক আমন্ত্ৰণ জনোৱাৰ বাবে কুৱেইট চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰে। এই ভ্ৰমণে ভাৰত আৰু কুৱেইটৰ জনসাধাৰণৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

কাইলৈ প্ৰধানমন্ত্ৰী মোদীক দেশখনৰ বায়ান পেলেচত আয়োজিত এটা বিশেষ অনুষ্ঠানত আনুষ্ঠানিক অভৰ্থনা জনোৱা হ'ব। ইয়াৰ পাছত শ্ৰীমোদীয়ে কুৱেটৰ আমিৰ আৰু দেশখনৰ যুৱৰাজৰ সৈতে পৃথক বৈঠকত মিলিত হ'ব। এই ভ্ৰমণৰ সময়ত শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰীৰ সৈতে শীৰ্ষ পৰ্যায়ৰ আলোচনাতো মিলিত হ'ব।

০০০০০

আজি বিশ্ব ধ্যান দিৱস। জনসাধাৰণৰ শান্তি আৰু কল্যানেৰে মানসিক উৎকৰ্ষ সাধনৰ লগতে সুস্বাস্থ্য বজাই ৰখাৰ প্ৰতি উৎসাহিত কৰাৰ লক্ষ্যৰে সমগ্ৰ বিশ্বতে প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছে। ধ্যানৰ জৰিয়তে মানসিক চাপ, হিংসা, সামাজিক অসন্তুষ্টি আদিকে ধৰি সাম্প্ৰতিক সময়ত বিশ্বজুৰি থকা বিভিন্ন প্ৰত্যাহ্বানসমূহৰ সমাধান কৰিব পৰা যায় বুলি ভবা হয়। শেহতীয়াকৈ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ভাৰতৰ সহযোগত আজিৰ দিনটো বিশ্ব ধ্যান দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত সৰ্ব সন্মতিক্ৰমে গ্ৰহণ কৰে। এই দিৱস উপলক্ষ্যে আজি ভাৰতৰ স্থায়ী মিছনে নিউইয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব ধ্যান দিৱস উপলক্ষে দেশবাসীক ধ্যানক জীৱনৰ এটা অংশ কৰি ল'বলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে যিকোনো এগৰাকী ব্যক্তিৰ জীৱনৰ লগতে আমাৰ সমাজ তথা সমগ্ৰ বিশ্বৰ বাবে শান্তি আৰু কল্যানৰ বাট মুকলি কৰাৰ ক্ষেত্ৰত ধ্যান হৈছে এটা শক্তিশালী পথ। বিজ্ঞান প্ৰযুক্তিৰ এই যুগত দৈনন্দিন জীৱনত ধ্যানে বহু সহায় কৰিব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰিব। বৈঠকত কেন্দ্ৰীয় উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ডঃ সুকান্ত মজুমদাৰো উপস্থিত থাকিব। এই বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলেও অংশগ্ৰহণ কৰিব। উত্তৰ-পূব পৰিষদৰ এই পূৰ্ণাংগ বৈঠক কাৰিকৰী সত্ৰৰে কালি আৰম্ভ হৈছে। এই বৈঠকত উত্তৰ-পূব পৰিষদৰ বিগত বছৰবোৰৰ কাম-কাজত আলোকপাত কৰাৰ লগতে প্ৰত্যাশাসমূহৰো প্ৰতিফলন কৰা হ'ব। উত্তৰ-পূবৰ অৰ্থনীতিক পুনৰুজ্জীৱিত কৰাৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এখন বেংকিং সন্মিলনতো সভাপতিত্ব কৰাৰ কথা।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ কাটছৰ ধোৰদ'ত আয়োজন কৰা **ৰণ** উৎসৱৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে এই উৎসৱ কাটছৰ পৰম্পৰা, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতীক। তেওঁ লগতে কয় যে এই উৎসৱে ইয়াৰ শিল্প বজাৰ, সাংস্কৃতিক কাৰ্যসূচী তথা খাদ্য পৰম্পৰাৰ জৰিয়তে দৰ্শনাৰ্থীসকলক এক জীৱনজোৰা অভিজ্ঞতা প্ৰদান কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে জীৱনত এবাৰ নিজৰ পৰিয়ালৰ সৈতে এই উৎসৱ দৰ্শন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। ০০০০

০০০০০

ৰাজস্থানৰ জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথত গেছ পৰিবাহী টেংকাৰত হোৱা অগ্নিকাণ্ডত নিহত লোকৰ সংখ্যা ১৪লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ২৭ জন লোকৰ চিকিৎসা জয়পুৰৰ এছ এম এছ চিকিৎসালয়ত চলি আছে। আহত লোকসকলৰ মাজৰ কেইবাগৰাকীৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা

গৈছে।  চিকিৎসালয়খনৰ **অধীক্ষক** ডo সুশীল ভাটিয়ে জনোৱা মতে ইয়াৰে ছজন লোকক ভেণ্টিলেটৰত ৰখা হৈছে। জয়পুৰৰ জিলা সংগ্ৰাহক জিতেন্দ্ৰ কুমাৰ ছ'নিয়ে এই ঘটনাৰ তদন্তৰ বাবে এখন যুটিয়া তদন্তকাৰী সমিতি গঠন কৰা হৈছে বুলি প্ৰকাশ কৰে। এই সমিতিখনে ঘটনাৰ সবিশেষ তদন্ত কৰি তথ্য দাখিল কৰিব।

আমাৰ আগৰ বাতৰিতে জনোৱা হৈছে যে ভানক্ৰ'টা অঞ্চলৰ জয়পুৰ আজমিৰ ঘাই পথত কালি পুৱা এখন গেছ পৰিবাহী টেংকাৰে ৰিং ৰোডৰ সমীপৰ এখন ট্ৰাকত খুন্দিওৱাৰ পাছত ওচৰৰ কেইবাখনো বাহনত জুই লগাৰ ফলত এই ঘটনাটো ঘটে। এই অগ্নিকাণ্ডত ৪০খন বাহন ধ্বংস হোৱাৰ লগতে ঘাই পথৰ কাষতে থকা এটা পাইপ ফেক্টৰী জুইত জাহ যায়। অঞ্চটোত চাৰিওফালে গেছ বিয়পি পৰাৰ ফলত উদ্ধাৰ অভিযান অতি জটিল হৈ পৰে। ইতিমধ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত নিহত লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

ooooo

হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰতীয় ৰাষ্ট্ৰীয় লোক দলৰ নেতা ওম প্ৰকাশ চৌতালাৰ শেষ কৃত্য আজি বিয়লি সম্পন্ন কৰা হ'ব। উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু তেওঁৰ পত্নীয়ে প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনী, কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল, ৰাজ্যসভাৰ সদস্য সুভাস বৰালাই মন্ত্ৰীগৰাকীৰ শেষকৃত্যত উপস্থিত থাকিব।

ooooo

ভাৰত আৰু ৱেষ্টইণ্ডিজৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ    বদোদৰাৰ ক'টাম্বি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে নৱী মুম্বাইত অনুষ্ঠিত টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ২-১ৰ ব্যৱধানত জয়লাভ কৰাৰ পাছত ভাৰতে জয়ৰ ধাৰা অব্যাহত ৰখাৰ লক্ষ্যৰে এইবাৰ ক্ৰীজত নামিব। হৰমনপ্ৰীত কৰৰ অনুপস্থিতিত ভাৰতীয় দলটোক স্মৃতি মান্ধানাই নেতৃত্ব দিব।

ooooo

মহিলাৰ ১৯ বছৰ অনুৰ্ধৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব। মালয়েছিয়াৰ কুৱালালামপুৰত অনুষ্ঠিত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতে শ্ৰীলংকাক ৪ উইকেটত পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। খেলখনত ভাৰতে মাত্ৰ ১৪ অভাৰ আৰু ৫টা বলতে ৯৯ ৰানৰ বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ কৰে। প্ৰতিযোগিতাৰ আনখন ছেমি ফাইনেলত বাংলাদেশে নেপালৰ বিৰুদ্ধে ৯ উইকেটৰ জয়লাভ কৰে।

ooooo

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে।

অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগে এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০